প্ৰতি
মাননীয় ৰাষ্ট্ৰপতি মহোদয়, ভাৰত
দিল্লী

বিষয়: প্ৰফেচাৰ আনন্দ টেলটুম্বডেৰ বিৰুদ্ধে অনা গোচৰ প্ৰত্যাহাৰৰ বাবে আবেদন।

আমি সমূহ স্বাক্ষৰকাৰী ব্যক্তিসকলে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা প্ৰফেচাৰ আনন্দ টেলটুম্বডেৰ আগতীয়া জামিন নামঞ্জুৰ কৰাত অত্যন্ত হতাশ আৰু মৰ্মাহত হৈছো। তেওঁ প্ৰেচিডিয়ামৰ এজন সদস্য হোৱাৰ ওপৰিও আই আই এম আহমেদাবাদৰ এজন ছাত্ৰ, আই আই টিৰ প্ৰফেচাৰ আৰু বৰ্তমানে এজন জ্যেষ্ঠ প্ৰফেচাৰ আৰু চেয়াৰ, বিগ ডাটা এনালাইটিকচ্‌, গোৱা ইনষ্টিটিউট অফ মেনেজমেন্ট। তদুপৰি প্ৰফেচাৰ টেলটুম্বডে ধৰ্ম - শ্ৰেণী বৈষম্যৰ প্ৰবক্তা আৰু ৰাজহুৱা নীতি (public policy) বিষয়ৰ এজন বিদগ্ধ পণ্ডিত হোৱাৰ ওপৰিও এজন নেতৃস্থানীয় ৰাজহুৱা বুদ্ধিজীৱি (public intellectual) আৰু গণতান্ত্ৰিক আৰু শিক্ষাৰ অধিকাৰৰ এজন সক্ৰিয় কৰ্মী। এনে এজন ব্যক্তিক চৰকাৰে অধুনা প্ৰৱৰ্তিত ক'লা আইন 'Unlawful Activities Prevention Act' (UAPA) ৰ অধীনত মাওবাদী সংগঠনৰ লগত জড়িত বুলি গোচৰ পঞ্জীয়ন কৰে।

২০১৮ চনত মহাৰাষ্ট্ৰৰ ভিমা কৰেগাওঁত দলিত সংগঠনবিলাকে পেছৱাজৰ বিৰুদ্ধে হোৱা যুদ্ধৰ দুশ বছৰীয়া বৰ্ষপুৰ্তি উদযাপন কৰাৰ সময়ত বিজেপি আৰু আৰ এছ এছ বাহিনীৰদ্বাৰা পৰিচালিত এক ভয়ানক হিংসাত্মক আক্ৰমণ আগশাৰীৰ মানব অধিকাৰ আৰু ছিভিল লিবাৰটিজৰ কৰ্মীৰ ওপৰত সংঘটিত কৰা হয়।

১ জানুৱাৰী ২০১৮ ৰ দিনা বৰ্ষপুৰ্তি উদযাপনত সমবেত হোৱা এটা বৃহৎ সমদলৰ ওপৰত প্ৰতিক্ৰিয়াশীল শক্তিয়ে আকস্মিকভাৱে শিলাবৰ্ষণ আৰু শাৰিৰীক প্ৰহাৰ কৰাৰ ওপৰিও বহু দোকান পোহাৰত অগ্নিসংযোগ কৰে। বৰ্তমান সচৰাচৰ ঘটি থকা এনেবোৰ কাৰ্যৰ প্ৰতি পুলিচৰ নিৰ্বিকাৰ স্থিতি আৰু নিষ্ক্ৰিয়তাই বৰং প্ৰশাসনৰ এনেবোৰ দুষ্কাৰ্যৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ কথাহে উদঙাই দিয়ে। হোৱাটচ্‌এপত প্ৰকাশিত ভিডিঅ'ত গেৰুৱা পতাকাধাৰী লোকে 'একবোটে' আৰু 'ভিডে' ধ্বনিৰে সমবেত দলিত লোকসকলৰ ওপৰত অতৰ্কিতে আক্ৰমণ কৰি খেদি পঠিওৱা দৃশ্য প্ৰত্যক্ষ হয়। ইয়াৰ ফলত অনেক আঘাতপ্ৰাপ্ত হয়, বহু মটৰ গাড়ী ধ্বংস হয় আৰু দোকান পোহাৰ আদি ভস্মীভূত হয়।

এই ঘৃণনীয় কাৰ্যৰ মূল প্ৰৰোচকদ্বয় ক্ৰমে 'সমস্থা হিন্দুত্ব আঘাদি' (Samastha Hindutva Aghadi) ৰ মিলিণ্ড একবোটে (Milind Ekbote) আৰু 'শিৱ ছত্ৰপতি প্ৰতিস্থান' (Shiv Chhatrapati Pratisthan) ৰ সম্ভাজী ভিডে (Shambhaji Bhide) ক জামিনত মুকলি কৰি দিয়া হয়। তেওঁলোকৰ বিৰুদ্ধে কোনো মোকৰ্দমা চলোৱা নহ'ল। বৰং পুণে পুলিছে এই প্ৰৰোচক সকলক সুৰক্ষা দিবৰ বাবে এটা 'চক্ৰান্তৰ ব্যাখ্যা' (Conspiracy theory) আগবঢ়াই কয় যে ঘটনাৰ আগদিনা পুণেত হোৱা 'এলগাৰ পৰিষদ' (Elgaar Parishad) ৰ সভাৰ বক্তাসকলে হিংসাত্মক কাৰ্যৰ প্ৰতি প্ৰৰোচিত কৰিছিল। সেই সভাখন ন্যায়াধীশ ক্ৰমে কলছে পাটিল আৰু পি. বি. চাৱন্তে আহ্বান কৰিছিল। কিন্তু পুলিচে দাবী কৰে যে সংগঠকসকলৰ নিষিদ্ধ মাওবাদীৰ সৈতে সংযোগ থকাৰ প্ৰমাণ আছে। সেই মৰ্মে ২০১৮ চনৰ জুন মাহৰ পৰা কেইবাজনো ৰাজহুৱা স্বাৰ্থৰ লগত জড়িত ব্যক্তিক( Civil Liberties Activists) আৰু মানব অধিকাৰৰ প্ৰৱক্তাক মাওবাদীৰ সমৰ্থক বা সহানুভূতিশীল লোক আখ্যা দি UAPA ৰ অধীনত গ্ৰেপ্তাৰ কৰে আৰু তেওঁলোক আজি পৰ্যন্ত কাৰাগাৰত বন্দী হৈ থাকিবলগীয়া হৈছে।

প্ৰফেচাৰ আনন্দ টেলটুম্বডেৰ নামটো অতিৰিক্ত অভিযোগনামাত সংযোজিত কৰা হৈছে ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত। তেওঁ আনকি এলগাৰ পৰিষদৰ সভাতো উপস্থিত নাছিল। তেওঁৰ বিৰুদ্ধে 'প্ৰমাণ' হিচাপে আগতে গ্ৰেপ্তাৰ কৰা লোক এজনৰ কম্পিউটাৰত পোৱা এখন চিঠিৰ পৰা পোৱা গৈছে বুলি প্ৰকাশ কৰিছে। পিছে ছাইবাৰ ফৰেণছিক বিশ্লেষণত সেই কম্পিউটাৰটোত 'মেলৱেৰ' ৰ অৱস্থিতিয়ে (যাৰ জৰিয়তে বৈদুতিক সংকেতৰ সহায়ত আঁতৰৰ পৰাই নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতা আহৰণ কৰা হয়) তথাকথিত 'প্ৰমাণ' ৰ ক্ষেত্ৰত অনেক সন্দেহৰ অৱতাৰণা কৰিছে। নৱগঠিত মহাৰাষ্ট্ৰ চৰকাৰে প্ৰতিশ্ৰুতি দিয়া মৰ্মে ছিভিল লিবাৰ্টীজৰ কৰ্মী আৰু মানব অধিকাৰৰ অধিবক্তাসকলৰ বিৰুদ্ধে পুলিচৰ ওচৰত থকা গোচৰসমূহ পুনৰ নিৰিক্ষণ কৰিবৰ বাবে যোৱা মাহত নেশ্যনেল ইনভেষ্টিগেটিং এজেঞ্চী (NIA) ৰ ওচৰত দাখিল কৰে। NIA ৰ হৈ ছলিছিটৰ জেনেৰেল তুষাৰ মেহতাই, যাৰ হাতত গোচৰটো অৰ্পণ কৰা

হৈছিল, যুক্তি দৰ্শাই যে জেৰা কৰাৰ স্বাৰ্থত প্ৰফেচাৰ আনন্দ টেলটুম্বডেক কাৰাগাৰত আৱদ্ধ কৰাতো অতি প্ৰয়োজনীয়।

কিন্তু এই কথা সজোৰে কোৱা দৰকাৰ যে প্ৰফেচাৰ টেলটুম্বডে এজন আগশাৰীৰ প্ৰযুক্তিবিদ আৰু তেখেতৰ বৃত্তিগত দক্ষতাও অনেক বেছি। ভাৰতবৰ্ষত ইনফৰমেচন টেকন'লজিৰ (IT) বিকাশৰ ক্ষেত্ৰত প্ৰভাৱ পেলোৱা প্ৰথম বিছজন ব্যক্তিৰ ভিতৰত তেওঁ ও এজন বুলি 'ডাটা কোৱেষ্ট' (Data Quest) নামৰ সংস্থাটোৱে একেৰাহে তিনিবছৰ ধৰি এই খিতাপ দি আহিছে। তদুপৰি তেখেতে তৈল আৰু গেছৰ ক্ষেত্ৰখনটো যোৱা তিনিটা দশক ধৰি নিজস্ব ধ্যান ধাৰণাৰে বিভিন্ন পদ্ধতি উদ্ভাৱন কৰি নানা ধৰণৰ আৰ্হি প্ৰস্তুত কৰাকে আদি কৰি ৰূপায়ণ কৰালৈকে বহুমূলীয়া অৱদান যোগাই আহিছে। তাৰ বাবে তেখেতক বিভিন্ন সন্মানজনক বঁটা আদিও প্ৰদান কৰা হৈছে। প্ৰফেচাৰ টেলটুম্বডে এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ 'ছি ই ও' হিচাপে তাৰ ছাবছিডিয়েৰী প্ৰতিষ্ঠানসমূহত সাত বছৰ ধৰি বোৰ্ড মেম্বাৰ হৈ ৰণকৌশল (strategy), প্ৰশাসনিক (executive), আই টি ষ্ট্ৰেটেজী আৰু ৰিটেইল কাউঞ্চিলৰ সদস্য হিচাবে (IT Strategy and Retail Council) ফৰছুন ৫০০(Fortune 500) কোম্পানীৰ খিতাপ পোৱা বি পি চি এল (BPCL) ৰ সদস্য হিচাবেও ১২ বছৰ কাৰ্য নিৰ্বাহ কৰে। তেখেতে ২৭ খন কিতাপ, প্ৰখ্যাত লিখকৰ সম্পাদিত ৫০ খন কিতাপৰ অধ্যায় আদি লিখাৰ ওপৰিও বাতৰিকাকত, আলোচনী আৰু জনপ্ৰিয় পত্ৰিকাসমূহত বহুল পৰিমানে লিখা মেলা - কৰে। আন্তৰ্জাতিক সন্মিলনত বিভিন্ন গৱেষণা পত্ৰ প্ৰদান কৰাৰ ওপৰিও তেখেতৰ বিছখনতকৈও অধিক গৱেষণা পত্ৰ বিদেশী পত্ৰিকাত প্ৰকাশ পায় আৰু এজন আগশাৰীৰ ৰেফাৰী বা নিৰ্ণায়ক হিচাবে আৰু সেই পত্ৰিকাসমূহৰ বোৰ্ড মেম্বাৰ হিচাবেও তেখেতে অৰিহণা যোগাই আহিছে। তেখেতে ভিজিটিং প্ৰফেচাৰ হিচাবে অতীতত আৰু বৰ্তমানেও দেশ-বিদেশৰ বিভিন্ন শিক্ষানুষ্ঠানত কাম কৰাৰো অভিজ্ঞতা আছে।

মহাৰাষ্ট্ৰৰ য়াভাটমাল (Yavatmal) জিলাৰ এক ভূমিহীন পৰিয়ালত জন্মগ্ৰহণ কৰা আনন্দ টেলটুম্বডে বৃত্তিগতভাবে এজন অত্যন্ত সফল ব্যক্তি হোৱাৰ পিছতো কিন্তু তেখেতে নিষ্পেষিত নিপীড়িতৰ সংগ্ৰামৰ সৈতে সদায় জড়িত থাকে। তেখেত এজন আগশাৰীৰ ছিভিল ৰাইটচ এক্টিভিষ্ট আৰু সামাজিক অন্যায় আৰু নিষ্পেষণৰ উৎসৰ বিষয়ত এজন তাত্বিক। তেখেতে বাবাচাহেব ডা. বি আৰ আম্বেদকাৰৰ নাতিনীক বিয়া কৰায়। এ আই এফ আৰ টি ই (AIFRTE)ৰ পৰেছিডিয়ামৰ এজন সক্ৰিয় কৰ্মকৰ্তা হিচাবে তেখেতে যোৱা দহবছৰ ধৰি সংগঠনটোক বিপুল বৰঙণি যোগোৱাৰ ওপৰিও ভাৰতবৰ্ষত মাতৃভাষাৰ যোগেদি এক বিনামূলীয়া আৰু বাধ্যতামূলক ৰাজহুৱা শিক্ষাব্যৱস্থা (Common School System) কাৰ্যকৰী কৰাৰ লক্ষ্যৰে অনেক লোকক (activist) সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰি আহিছে। এইটোৱেই একমাত্ৰ উপায় যাৰ জৰিয়তে শিক্ষাত সামাজিক ন্যায় আৰু সমতা প্ৰদান কৰিব পৰা যাব।

ইয়াৰ দ্বাৰা আমি ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয়লৈ আৱেদন জনাওঁ যাতে প্ৰফেচাৰ টেলটুম্বডে আৰু অন্যান্যসকলৰ বিৰুদ্ধে এই বিষয়ত অনা মিছা অভিযোগসমূহ প্ৰত্যাহাৰ কৰে।